No. of Printed Pages : 4 **FAS-01**

**BDP / BCA / BTS**

**Term-End Examination**

**June, 2017**

01965

## FAS-01 : FOUNDATION COURSE IN ASSAMESE

*Time : 2 hours* *Maximum Marks : 50*

*প্ৰশ্নবোৰ পঢ়ি উত্তৰ লিখক ।*

### ক – শাখা

**1.** তলত দিয়া প্ৰশ্নবোৰৰ শুদ্ধ বিকল্প নিৰ্ণয় (√) কৰক : *5×1=5*

(a) অসমীয়া ভাষাৰ মূল উৎম কি ?

(i) অষ্ট্ৰিক

(ii) আৰ্যমূলীয়

(iii) দ্ৰাবিড়ীয়

(b) আধুনিক অসমীয়াৰ বানান পদ্ধতি কোনে নিৰূপন কৰে ?

(i) গুণাভিৰাম বৰুৱাই

(ii) উইলিয়াম ৰবিনস্‌নে

(iii) হেমচন্দ্ৰ বৰুৱাই

(c) সময়ক কিহৰ লগত তুলনা কৰা হৈছে ?

(i) চকৰিৰ লগত

(ii) যন্তৰ লগত

(iii) গতিৰ লগত

(d) বৃটিছ্ পাৰ্লিয়ামেন্টে ভাৰতক ক্ষমতা হস্তান্তৰ কৰাৰ বাবে সকলো ক্ষমতা অৰ্পণ কৰিছিল :

(i) গভৰ্ণৰ জেনেৰেল ৱাভেলক

(ii) ছাৰ কাফোৰ্ড ক্ৰীপছক

(iii) লৰ্ড মাউন্ট বেটেনক

(e) অসমীয়া ভাষাত ধ্বনিৰ সংখ্যা কেইটা ?

(i) 23টা

(ii) 33টা

(iii) 52টা

**2.** সম্পূৰ্ণ বাক্যত উত্তৰ দিয়ক : *5×1=5*

(a) অসমত ব্ৰজবুলি ভাষা কোনে প্ৰৱৰ্তন কৰে ?

(b) নেহৰু পৰিয়ালে কি কাৰণে দিল্লীৰ পৰা এলাহাবাদলৈ আহিব লগা হ'ল ?

(c) ৰামলীলাত কাৰ কাৰ জুমুথি দাহন কৰা হয় ?

(d) ভাৰতৰ কোন বংশৰ ৰাজত্ব কালক সোনালী যুগ বুলি কোৱা হয় ?

(e) ন্যায় দৰ্শনৰ প্ৰতিষ্ঠা কোনে কৰিছিল ?

**3.** কৰ্কট বা কেঞ্চাৰ ৰোগৰ বিষয়ে চমুকৈ লিখক। 5

**অথবা**

প্ৰধান মন্ত্ৰী হিচাপে ইন্দিৰা গান্ধীৰ কৃতিত্বৰ পৰিচয় দিয়ক।

**4.** যিকোনো ***পাঁচটা*** প্ৰশ্নৰ সংক্ষেপে উত্তৰ লিখক : *5×2=10*

(a) হুচৰী আৰু বিহুগীতৰ মাজত পাৰ্থক্য কি ?

(b) কম্পিউটাৰক মানৱ সভ্যতাৰ কাৰণে সম্পদ আৰু অভিশাপ ৰূপত লিখক।

(c) অসমৰ কোন ঠাইত গুপ্তযুগৰ শিল্পকলাৰ নিদৰ্শন পোৱা যায় ? এই শিল্পৰ বৈশিষ্ট কি ?

(d) অসমীয়াৰ খোৱালোৱা কিহৰ দ্বাৰা আৰু কেনেকৈ প্ৰভাৱিত হৈছে ?

(e) 1857 চনটো কি কাৰণে স্মৰনীয় ?

(f) ৰাষ্ট্ৰৰ প্ৰধান উদ্দেশ্য কি ?

(g) সাংখ্য দৰ্শনৰ মতে জগতৰ সৃষ্টি কেনেকৈ হয় ?

(h) 'খেৰাজী' আৰু 'নিস্পিখেৰাজ' মাটিৰ পাৰ্থক্য কি ?

(i) কোন কোন গোষ্ঠী অসমৰপৰা আঁতৰি গ'ল ?

## খ – শাখা

5. পাৰ্শ্ব ধ্বনি অসমীয়াত আছেনে ? কেনেকৈ সেই ধ্বনি উচ্চাৰণ কৰা হয় ? 5

**অথবা**

নামক্ৰিয়া কি ? উদাহৰণ দি বুজাই লিখক ।

6. যিকোনো ***পাঁচটা*** খণ্ডবাক্য ব্যৱহাৰ কৰি অৰ্থবহ বাক্য ৰচনা কৰক : *5×1=5*

আপোন-পেটা, ওঁঠ চেলেক, কথা চহকী, খবৰা খবৰি, টানি টুনি, নাকী লগা, নেগুৰ কটা, সাতাম পুৰুষীয়া ।

7. বন-ধ্বংসৰ প্ৰতিবাদ কৰি কোনো বাতৰি কাকতৰ সম্পাদকলৈ এখন চিঠি লিখক । 5

8. তলৰ ***যিকোনো*** বিষয়ৰ ওপৰত এখন ৰচনা লিখক : 10

(ক) দূৰদৰ্শনৰ বিজ্ঞাপন

(খ) ৰঙালি বিহু

(গ) মোৰ প্ৰিয় গ্ৰন্থ

---